অধ্যায় ৫

# অধিকাৰ *(Rights)*




দৈনন্দিন জীৱনত আমি প্ৰায়ে আমাৰ অধিকাৰৰ কথা আলোচনা কৰো। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সদস্য হিচাপে আমি ভোটদানৰ অধিকাৰ, ৰাজনৈতিক দল-সংগঠন গঠন কৰাৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰৰ কথা ক'ব পাৰো। কিন্তু এই ৰাজনৈতিক আৰু পৌৰ অধিকাৰৰ উপৰি জনসাধাৰণে কিছুমান নতুন নতুন অধিকাৰ যেনে— তথ্য জনাৰ অধিকাৰ, বিশুদ্ধ বায়ু সেৱনৰ অধিকাৰ বা পৰিষ্কাৰ খোৱাপানীৰ অধিকাৰ আদি দাবী কৰি আহিছে। অধিকাৰবোৰ অকল আমাৰ ৰাজনৈতিক আৰু ৰাজহুৱা সম্বন্ধৰ ক্ষেত্ৰতে দাবী কৰা হয় এনে নহয়, এইবোৰ আমাৰ সামাজিক আৰু ব্যক্তিগত সম্বন্ধৰ ক্ষেত্ৰতো প্ৰযোজ্য। তদুপৰি অধিকাৰবোৰ অকল প্ৰাপ্তবয়স্ক লোকসকলৰেই দাবী নহয়, এইবোৰ শিশু, মাতৃৰ গৰ্ভত থকা ভ্ৰূণ, আনকি জীৱ-জন্তুৰো দাবী। এইদৰে অধিকাৰ সম্পৰ্কে বিভিন্ন লোকে বিভিন্ন ধৰণে ইয়াৰ ব্যাখ্যা কৰিছে। এই অধ্যায়ত আমি ভালকৈ অনুসন্ধান কৰিম ঃ

- আমি অধিকাৰৰ কথা কওঁতে কি বুজো?

# ৰাজনৈতিক তত্ত্ব

- অধিকাৰবোৰ দাবী কৰাৰ ভিত্তি কি?
- অধিকাৰে কি উদ্দেশ্য সাধন কৰে আৰু এইবোৰ কিয় গুৰুত্বপূৰ্ণ?

## ৫.১ অধিকাৰ কি? (What are Rights)

অধিকাৰ হ'ল এটা স্বত্ব বা ন্যায়সংগত দাবী। আমি নাগৰিক, ব্যক্তি আৰু মানুহ হিচাপে যিহৰ স্বত্বৱান তাকেই চিহ্নিত কৰে। যিবোৰক আমি আমাৰ প্ৰাপ্য বুলি ভাবো; সেইবোৰক যদি সমাজৰ বাকীবোৰৰ বাবেও যথাৰ্থ (আইনবিদ) দাবী হয় বুলি অনুমোদন জনায়, তেন্তে সেইবোৰ বাহাল ৰাখিব লাগে। কিন্তু ই এইটোকে নুবুজায় যে আমি যি বিচাৰো বা প্ৰয়োজনীয় বুলি ভাবো সেই আটাইবোৰে অধিকাৰ। বিদ্যালয়ে নিৰ্ধাৰণ কৰি দিয়া 'ইউনিফৰ্ম'ৰ সলনি মই মোৰ নিজৰ পছন্দ মতে বিদ্যালয়লৈ যোৱা পোছাক পিন্ধিব বিচাৰিব পাৰো। মই নিশা পলমকৈ ঘৰলৈ আহিব পাৰো। কিন্তু অধিকাৰে এইটো নুবুজায় যে বিদ্যালয়ত মোৰ পছন্দ মতে পোছাক পিন্ধাৰ অধিকাৰ আছে বা নিশা পলমকৈ মোৰ ইচ্ছা মতে ঘৰলৈ অহাৰ অধিকাৰ আছে। সেয়েহে মই যি বিচাৰো বা চিন্তা কৰো সেইটো মোৰ বাবে প্ৰাপ্য বুলি দাবী কৰিব পাৰো আৰু যদি অধিকাৰ বুলি স্বীকৃতি দিয়া হয় তাৰ মাজত এটা পাৰ্থক্য আছে।

অধিকাৰ হ'ল কিছুমান দাবী, যিবোৰ দাবী মোৰ লগতে আন লোকৰো এটা সন্মানীয় আৰু মৰ্যাদাপূৰ্ণ জীৱন-নিৰ্বাহৰ বাবে প্ৰয়োজনীয় বুলি ধৰা হয়। আনহাতে অধিকাৰ দাবী কৰাৰ এটা কাৰণ হ'ল ই কিছুমান চৰ্তক প্ৰতিনিধিত্ব কৰে, যাক আমি সামগ্ৰিকভাৱে আত্মসন্মান আৰু মৰ্যাদাৰ উৎস হিচাপে দেখা পাওঁ। উদাহৰণস্বৰূপে, সন্মানপূৰ্বক জীৱন-নিৰ্বাহ কৰিবলৈ জীৱিকাৰ অধিকাৰক প্ৰয়োজনীয় বুলি বিবেচনা কৰিব পাৰি। লাভজনক কৰ্মই এজন ব্যক্তিক আৰ্থিক স্বাধীনতা প্ৰদান কৰে, যিটো তেওঁৰ মৰ্যাদাৰ মূল ক্ষেত্ৰ। আমাৰ মৌলিক প্ৰয়োজন থকা কাৰণে আমাৰ স্বাৰ্থ আৰু বুদ্ধিত প্ৰয়োগ কৰিবলৈ স্বাধীনতা দিয়ে, নাইবা আমাৰ স্বাধীনভাৱে চিন্তা বা মতামত প্ৰকাশ কৰাৰ অধিকাৰৰ কথা ক'ব পাৰি। এই অধিকাৰে আমাক লেখা-মেলা কৰা, নৃত্য বা সংগীত চৰ্চা কৰা বা এনে ধৰণৰ কামত সৃষ্টিশীল আৰু মৌলিক ভাবধাৰাৰ অধিকাৰী হ'বলৈ সুবিধা দিয়ে। কিন্তু গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বাবে মতামত প্ৰকাশৰ স্বাধীনতাও গুৰুত্বপূৰ্ণ,

# অধিকাৰ

কিয়নো ই নাগৰিকক বিশ্বাস আৰু মতামত মুক্তভাৱে প্ৰকাশ কৰাৰ বাবে অনুমতি দিয়ে। অধিকাৰ হিচাপে জীৱিকাৰ অধিকাৰ, মত প্ৰকাশৰ স্বাধীনতা সমাজত থকা সকলো মানুহৰ বাবে প্ৰয়োজন আৰু এইবোৰৰ এটা সাৰ্বজনীন প্ৰকৃতি থকা বুলি ক'ব পাৰি।

অধিকাৰ দাবী কৰাৰ আন এটা কাৰণ হ'ল এই যে এইবোৰ আমাৰ কল্যাণৰ বাবে প্ৰয়োজন। ই ব্যক্তিক তেওঁলোকৰ বুদ্ধি আৰু প্ৰতিভাৰ বিকাশত সহায় কৰে। উদাহৰণস্বৰূপে, শিক্ষাৰ অধিকাৰে আমাৰ যুক্তিৰ পৰিসৰ বৃদ্ধিত সহায় কৰে, আমাক প্ৰয়োজনীয় নিপুণতা প্ৰদান কৰে আৰু জীৱনত সঠিক পছন্দ আহৰণ কৰিবলৈ আমাক সমৰ্থ কৰে। এইফালৰ পৰা শিক্ষাক এটা সাৰ্বজনীন অধিকাৰ বুলি ক'ব পাৰি। তথাপিতো কোনো কাৰ্য যদি আমাৰ স্বাস্থ্য আৰু কল্যাণৰ ক্ষতিকৰ হয়, তেতিয়া ইয়াক অধিকাৰ হিচাপে দাবী কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, চিকিৎসা গৱেষণাই দেখুৱাইছে যে নিষিদ্ধঘোষিত ড্ৰাগ্‌ছ স্বাস্থ্যৰ বাবে ক্ষতিকৰ, সেয়েহে ধূমপান বা ড্ৰাগ্‌ছ সেৱন কৰাটো আমাৰ লগতে আনৰ লগত থকা সম্পৰ্কতো প্ৰভাৱ পেলায়। সেয়ে আমি ধূমপান বা ড্ৰাগ্‌ছ সেৱন এটা অধিকাৰ হিচাপে দাবী কৰিব নোৱাৰো। ধূমপান কৰিলে আনকি ওচৰত থকা মানুহৰো ক্ষতিসাধন কৰে। ড্ৰাগ্‌ছ অকল আমাৰ বাবেই ক্ষতিকাৰক নহয়, ই বহু সময়ত আমাৰ আচৰণৰ প্ৰকৃতি সলনি কৰি দিব পাৰে আৰু লগতে ই আন মানুহৰো বাবে বিপজ্জনক হ'ব পাৰে। অধিকাৰ সংজ্ঞাত ধূমপান বা নিষিদ্ধ ড্ৰাগ্‌ছ সেৱন কৰাটোক এটা অধিকাৰ বুলি দাবী কৰিব নোৱাৰি।

**অভ্যাস কৰো আহো।**

অলপ দিনৰ ভিতৰত প্ৰকাশ পোৱা বাতৰিকাকত পঢ়ি মানুহৰ ভাব-ভংগী, ধাৰণাই সৃষ্টি কৰা নতুন অধিকাৰৰ এখন তালিকা প্ৰস্তুত কৰা।

## ৫.২ অধিকাৰ ক'ৰ পৰা আহে? (Where Do Rights Come From?)

সপ্তদশ আৰু অষ্টাদশ শতিকাৰ ৰাজনৈতিক তত্ত্ববিদসকলে মত পোষণ কৰিছিল যে আমাক প্ৰকৃতি বা ভগৱানে অধিকাৰ দিয়ে। মানুহৰ অধিকাৰসমূহ প্ৰাকৃতিক নিয়মৰ পৰা উৎপত্তি হয়। এইটোৱে ইয়াকে বুজাইছিল যে অধিকাৰসমূহ কোনো শাসক বা সমাজে প্ৰদান কৰা নাছিল। বৰঞ্চ আমি জন্মৰ লগতে এইবোৰ লগত লৈ আহিছিলো। সেয়ে এই অধিকাৰবোৰ অহস্তান্তৰযোগ্য আৰু কোনেও আমাৰ পৰা কাঢ়ি নিব

## মানুহৰ সন্মান বা মৰ্যাদা সম্পৰ্কে কাণ্ট (Kant on Human Dignity)

....প্ৰত্যেক বস্তুৰে নিজস্ব মূল্য বা সন্মান (মৰ্যাদা) আছে। তুলনামূলকভাৱে ইয়াৰ ঠাইত ইয়াৰ সমকক্ষ আন কিবা আছে নেকি, যিয়ে আন সকলো মূল্যতকৈ শ্ৰেষ্ঠ হ'ব পাৰে। কিন্তু মৰ্যাদা/সন্মানত সমকক্ষ একো নাই বুলি স্বীকাৰ কৰা হয়।

মানৱ জাতি আন সকলোৰে তুলনাত সন্মান/মৰ্যাদাৰ অধিকাৰী। সেয়ে তেওঁলোকৰ নিজস্ব মূল্য আছে। ১৮শ শতিকাৰ জাৰ্মান দাৰ্শনিক **ইমানুৱেল কাণ্টৰ** মতে এই সৰল ধাৰণাটোৰ গভীৰ অৰ্থ আছে। ইয়াৰ অৰ্থ হ'ল প্ৰত্যেক ব্যক্তিৰে সন্মান/মৰ্যাদা আছে আৰু সেয়ে তেওঁলোকক মানুহ হিচাপে গণ্য কৰা উচিত। এজন মানুহ অশিক্ষিত, গৰিব বা ক্ষমতাহীন হ'ব পাৰে। তেওঁ অসাধু বা ব্যভিচাৰীও হ'ব পাৰে। তথাপি যিহেতু তেওঁ এজন মানুহ সেয়ে তেওঁক নিচেই কম সন্মান/মৰ্যাদা হ'লেও দিব লাগে।

**কাণ্টৰ** মতে মানুহক সন্মান জনোৱা মানে তেওঁলোকক নৈতিকভাৱেও একে ব্যৱহাৰ কৰা হয়। যিসকলে সামাজিক শ্ৰেণী বিভাজন আৰু মানৱ অধিকাৰ ভংগৰ বিৰুদ্ধে যুঁজ দি আছে। তেওঁলোকৰ কাৰণে এই ধাৰণাটো পুনৰ একগোট কৰাৰ উপায়।

কাণ্টৰ এই মন্তব্যই অধিকাৰৰ নৈতিক ধাৰণাক প্ৰতিনিধিত্ব কৰিছে। এই স্থিতি দুটা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰথম হ'ল আমি নিজকে যেনেদৰে ব্যৱহাৰ কৰো আনকো তেনে ব্যৱহাৰ কৰা উচিত। দ্বিতীয়তে আমি নিজৰ উদ্দেশ্য সাধনৰ কাৰণে আনক ব্যৱহাৰ নকৰাটো নিশ্চিত হ'ব লাগে। আমি ব্যৱহাৰ কৰা এটা কলম, এখন মটৰ গাড়ী বা এটা ঘোঁৰাৰ দৰে মানুহক ব্যৱহাৰ কৰা অনুচিত। আমাৰ বাবে উপকাৰী বা প্ৰয়োজনীয় বুলি নহয়, তেওঁলোকক মানুহ বুলিহে আমি সন্মান প্ৰদৰ্শন কৰিব লাগে।

নোৱাৰে। ইয়ে মানুহৰ তিনিবিধ প্ৰাকৃতিক অধিকাৰক চিনাক্তকৰণ কৰিছিল ঃ জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰ। অন্যান্য সকলো অধিকাৰ এই তিনিটা মূল অধিকাৰৰ পৰা উৎপত্তি হোৱা বুলি কোৱা হৈছিল। আমি নিৰ্দিষ্ট অধিকাৰ কিছুমানৰ সৈতে জন্মগ্ৰহণ কৰা ধাৰণাটো এটা অতি শক্তিশালী ধাৰণা, কিয়নো ই ইয়াকে বুজায় যে কোনো ৰাষ্ট্ৰ বা সংগঠনে প্ৰাকৃতিক নিয়মানুসাৰে প্ৰদান কৰা অধিকাৰসমূহ আমাৰ পৰা আঁতৰাই নিয়া উচিত নহয়। ৰাষ্ট্ৰ আৰু চৰকাৰৰ স্বেচ্ছাচাৰী শক্তি প্ৰয়োগৰ বিৰোধিতা কৰি ব্যক্তিগত স্বাধীনতাৰ ৰক্ষণাবেক্ষণ দিবলৈ প্ৰাকৃতিক অধিকাৰৰ ধাৰণাটোক বহলভাৱে প্ৰয়োগ কৰা হৈছিল।

সাম্প্ৰতিক কালত প্ৰাকৃতিক অধিকাৰৰ তুলনাত মানৱ অধিকাৰৰ ধাৰণাটো অধিক ব্যৱহাৰ কৰা হয়। ইয়াৰ কাৰণ হ'ল প্ৰাকৃতিক আইনৰ উপস্থিতিত ধাৰণা বা প্ৰকৃতি বা ঈশ্বৰে আমাৰ বাবে কৰি দিয়া নিয়মবোৰ আজিকালি গ্ৰহণযোগ্য নহয়। অধিকাৰবোৰ বৰ্ধিত হাৰত স্বীকৃত হোৱাটো মানুহে বিচাৰে যাতে তেওঁলোকে সাধাৰণভাৱে জীৱন-যাপন কৰিবলৈ সুবিধা হয়।

মানৱ অধিকাৰৰ গুৰিত থকা অৱধা-

# অধিকাৰ

ৰণাটো হ'ল এই যে, প্ৰত্যেক মানুহৰ মানুহ হিচাপে কিছুমান প্ৰয়োজন থাকে। মানুহ হিচাপে প্ৰত্যেক ব্যক্তি অনুপম আৰু মূল্যৱান। ইয়াৰ অৰ্থ হ'ল সকলো মানুহ সমান আৰু কোনেও আনৰ অনূনত হ'বলৈ জন্মগ্ৰহণ নকৰে। আমি প্ৰত্যেকেই আচলতে কোনো এটা মূল্যৰ অধিকাৰী। সেয়ে আমি সকলোৱে স্বাধীন হ'বলৈ সমান সুবিধা পাব লাগিব, যাতে আমাৰ কাৰ্যকৰী শক্তি অনুভৱ কৰা সহজ হয়। স্বাধীনতা আৰু সমতাৰ ধাৰণাই বৰ্তমান সমাজত প্ৰচলিত জাতি, ধৰ্ম, বৰ্ণ, ভাষা আৰু লিংগৰ মাজত থকা অসমতাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ ঘোষণা-পত্ৰ এনে অধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত আৰু ইয়াৰ লক্ষ্য হ'ল সেইবোৰ দাবীক স্বীকৃতি দিয়া যিবোৰক বিশ্ব সম্প্ৰদায়ে সামূহিকভাৱে মৰ্যাদাসম্পন্ন আৰু আত্মসন্মানপূৰ্বক জীৱন নিৰ্বাহৰ বাবে অতি প্ৰয়োজনীয় হিচাপে গণ্য কৰে।

সমগ্ৰ বিশ্বৰ নিষ্পেষিত মানুহে সাৰ্বজনীন মানৱ আধিকাৰৰ ধাৰণাটো, সমান সুযোগ-সুবিধা আৰু অধিকাৰক অস্বীকাৰ কৰা আৰু পৃথক কৰা আইনবোৰক প্ৰত্যাহ্বান জনাবলৈ ব্যৱহাৰ কৰিছে। দৰাচলতে যিবিলাক গোষ্ঠীগত সংঘৰ্ষই কোনো সুফল পোৱা নাই, সিবিলাকে প্ৰচলিত অধিকাৰসমূহৰ বহু সময়ত নতুন ব্যাখ্যাৰে সলনি কৰাৰ পোষকতা কৰে। উদাহৰণস্বৰূপে, দাসত্ব প্ৰথা উঠাই দিয়া হৈছে। কিন্তু এনেকুৱা বহুত সংগ্ৰাম আছে, য'ত মাত্ৰ সীমিতসংখ্যকেহে কেৱল কৃতকাৰ্য হৈছে। আজিকালি কিছুমান সম্প্ৰদায়ে তেওঁলোকক অন্তৰ্ভুক্ত কৰা পদ্ধতিৰে মানৱতাৰ সংজ্ঞা বা অৰ্থ দিবলৈ সংগ্ৰাম কৰিছে।

মানৱ অধিকাৰৰ তালিকাখন বৃদ্ধি কৰাটো বছৰ বছৰ ধৰি জনসাধাৰণে দাবী কৰি আহিছে। যিদৰে সমাজখনে কিছুমান নতুন ভাবুকি আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। উদাহৰণস্বৰূপে, প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কত আজিকালি আমি বৰ সচেতন আৰু এইটোৱে বায়ু, পানী পৰিষ্কাৰৰ অধিকাৰ, গ্ৰহণযোগ্য উন্নয়নৰ দৰে আন বহুতো অধিকাৰৰ কাৰণে দাবীৰ সৃষ্টি কৰে। পৰিৱৰ্তনৰ সম্পৰ্কত এক নতুন সচেতনতাই য'ত বহুতো মানুহ বিশেষকৈ মহিলা, শিশু বা বেমাৰীয়ে যুদ্ধৰ সময়ত বা প্ৰাকৃতিক দুৰ্য্যোগৰ সন্মুখীন হোৱা কাৰ্য্যই জীৱন নিৰ্বাহৰ অধিকাৰৰ দাবী উত্থাপন কৰে। এনেকুৱা কিছুমান দাবীয়ে মানুহৰ মৰ্যাদা সম্পৰ্কে কিছুমান নৈতিক ধাৰণাৰ অনুভৱকে প্ৰকাশ কৰে আৰু তেওঁলোকে সকলো মানুহৰ কাৰণে এই অধিকাৰবোৰ সম্প্ৰসাৰিত কৰিব লাগে বুলি সকলোকে আহ্বান জনাবলৈ চেষ্টা কৰে। এই সম্পাসৰণ আৰু কিছুমান দাবীৰ ক্ষেত্ৰত থকা ক্ষমতাৰ বিষয়ে আমি একো বুজিব নোৱাৰো। তোমালোকে হয়তো শুনিছা যে- পপ সংগীতৰ গায়ক Bob Geldof য়ে আফ্ৰিকাত দৰিদ্ৰতা শেষ কৰাৰ কাৰণে পশ্চিমীয়া চৰকাৰৰ ওচৰত আবেদন জনাইছিল আৰু এই সম্পৰ্কত তেওঁ যে সকলো জনসাধাৰণৰ পৰা সমৰ্থনও পাইছিল সেইটো দূৰদৰ্শনৰ ৰিপৰ্টেও দেখুৱাইছিল।




## ৫.৩ বৈধ অধিকাৰ আৰু ৰাষ্ট্ৰ (Legal Rights and the State)

যেতিয়া মানৱ অধিকাৰৰ দাবীয়ে আমাক নিজক নৈতিকতাৰ আহ্বান জনায়, এই আহ্বানৰ কৃতকাৰ্যতা বহুতো উপাদানৰ ওপৰত নিৰ্ভৰশীল, তাৰ ভিতৰত চৰকাৰ আৰু আইনৰ সমৰ্থন আটাইতকৈ গুৰুত্বপূৰ্ণ। সেয়েহে অধিকাৰৰ ওপৰত বৈধ স্বীকৃতিক অত্যধিক গুৰুত্ব দিয়া হৈছে।

বহুবিলাক ৰাষ্ট্ৰৰ সংবিধানত এখন ‘অধিকাৰৰ বিধেয়ক’ (Bill of Rights) সন্নিৱিষ্ট কৰা হৈছে। সংবিধান হৈছে দেশৰ সৰ্বোচ্চ আইন আৰু সেয়ে কিছুমান অধিকাৰক সাংবিধানিক স্বীকৃতিয়ে অধিক গুৰুত্বপূৰ্ণ কৰিছে। আমাৰ দেশত আমি ইয়াক মৌলিক অধিকাৰ বুলি কওঁ। অন্যান্য আইন আৰু নীতিয়ে সংবিধানস্বীকৃত অধিকাৰবোৰক সমীহ বা মান্য কৰিব লাগে। কিছুমান ৰাষ্ট্ৰৰ বিশেষ ঐতিহাসিক আৰু পৰম্পৰাগত ৰীতি-নীতিৰ পৰিপ্ৰেক্ষিতত কিছুমান ক্ষেত্ৰত এইবোৰক পৰিপূৰক দাবীৰে বেছি গুৰুত্বপূৰ্ণ কৰি তোলা হৈছে। উদাহৰণস্বৰূপে, ভাৰতত অস্পৃশ্যতা বৰ্জন কৰা হৈছে, যিয়ে দেশৰ প্ৰাচীন সামাজিক ব্যৱস্থা হিচাপে মনোযোগ আকৰ্ষণ কৰিছে।

আমাৰ দাবীবোৰে আইনসংগত আৰু সাংবিধানিক স্বীকৃতি পোৱাটো ইমান গুৰুত্বপূৰ্ণ হোৱা বাবে বহুতো ৰাজনৈতিক চিন্তাবিদৰ মতে ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত দাবীবোৰেই অধিকাৰ। আমি আগতে আলোচনা কৰি আহিছো যে অধিকাৰ দ্ৰুতগতিত সম্প্ৰসাৰিত আৰু পুনৰ বিন্যাস হৈ ইয়াৰ আগতে সন্নিৱিষ্ট নোহোৱা বিষয়বোৰ অন্তৰ্ভুক্ত কৰা হৈছে অৰ্থাৎ ইয়ে আমাৰ সন্মান আৰু মৰ্যাদাপূৰ্ণ জীৱন নিৰ্বাহ সম্ভৱ কৰি তুলিছে।

# অধিকাৰ

তথাপি বহু ক্ষেত্ৰত দাবী কৰা অধিকাৰবোৰ হ'ল চৰকাৰলৈ নিৰ্দেশনা। অৰ্থাৎ এই অধিকাৰবোৰৰ জৰিয়তে জনসাধাৰণে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব পাৰে। যেতিয়া মই শিক্ষাৰ অধিকাৰ দাবী কৰো, তেতিয়া মই চৰকাৰক মোৰ প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিবলৈ ক'ম। সমাজেও শিক্ষাৰ গুৰুত্বৰ মান্য কৰিব আৰু ইয়ালৈ নিজৰ অৰিহণা আগবঢ়াব। বেলেগ বেলেগ সম্প্ৰদায়ে বিদ্যালয় স্থাপন কৰিব পাৰে আৰু বৃত্তি বা জলপানিৰ ব্যৱস্থা কৰিব পাৰে যাতে সকলো শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ ইয়াৰ পৰা শিক্ষালাভৰ সুবিধা হ'ব পাৰে। কিন্তু শিক্ষাৰ প্ৰাথমিক দায়িত্ব চৰকাৰৰ ওপৰত। মোৰ শিক্ষালাভৰ অধিকাৰ পূৰ্ণ কৰিবলৈ কেৱল চৰকাৰেহে আৰম্ভণিতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

এইদৰে অধিকাৰে চৰকাৰৰ ওপৰত বিশেষ পদ্ধতিৰে কাম কৰিবলৈ কিছুমান বাধ্যবাধকতা আৰোপ কৰিছে। চৰকাৰে কি কৰিব লাগে আৰু কি কৰিব নালাগে অধিকাৰে তাক নিৰ্ধাৰণ কৰি দিছে। উদাহৰণস্বৰূপে, মোৰ জীৱনৰ অধিকাৰে চৰকাৰক আইন প্ৰণয়ন কৰিবলৈ বাধ্য কৰাইছে যি মোক আন আঘাতৰ পৰা ৰক্ষা কৰিব পাৰে। লগতে যিয়ে মোৰ ক্ষতি বা লোকচান কৰিছে, তাক শাস্তি দিবলৈ ই চৰকাৰক নিৰ্দেশ দিছে। যদি এখন সমাজে অনুভৱ কৰে যে জীৱনৰ অধিকাৰ মানে হ'ল ভাল মৰ্যাদাপূৰ্ণ জীৱনৰ অধিকাৰ তেনেহ'লে ই চৰকাৰৰ পৰা এনেকুৱা নীতি আশা কৰিব যিয়ে এটা স্বাস্থ্যসন্মত জীৱনৰ বাবে প্ৰয়োজনীয় পৰিৱেশ গঢ়ি তোলাৰ লগতে অন্যান্য সা-সুবিধা দিব। আন কথাত মোৰ অধিকাৰে চৰকাৰক কিছুমান বিশেষ পদ্ধতিৰে কাম কৰিবলৈ বাধ্য কৰাইছে।

অধিকাৰে অকল চৰকাৰে কি কৰিব লাগে তাক নুবুজায়, ই চৰকাৰে কি কৰাৰ পৰা বিৰত থকা উচিত তাৰো পৰামৰ্শ দিয়ে। উদাহৰণস্বৰূপে, এজন ব্যক্তি হিচাপে মোৰ স্বাধীনতাৰ অধিকাৰৰ কথা ক'ব পাৰি যে চৰকাৰে মোক নিজৰ ইচ্ছামতে গ্ৰেপ্তাৰ কৰিব নোৱাৰে। যদি চৰকাৰে মোক আদালতলৈ নিব বিচাৰে, তেন্তে ই নিজৰ কাৰ্যৰ সপক্ষে যুক্তি দৰ্শাব লাগিব আৰু ন্যায়িক আদালতক মোৰ অধিকাৰ খৰ্ব কৰাৰ কাৰণ জনাব লাগিব। সেই কাৰণে আৰক্ষীয়ে মোক গ্ৰেপ্তাৰ কৰাৰ আগতে গ্ৰেপ্তাৰ পৰোৱানা দেখুৱাব লাগিব। এইদৰে মোৰ অধিকাৰে চৰকাৰৰ কাৰ্যৰ ওপৰত কিছুমান বাধা আৰোপ কৰিছে।

# ৰাজনৈতিক তত্ত্ব

**আমি কৰো আহা**

কেইদিনমানৰ আগৰ বাতৰিকাকত পঢ়ি আলোচনা হোৱা অধিকাৰ উলংঘাৰ গোচৰ চিনাকি কৰা। চৰকাৰ আৰু সমাজে এনে উলংঘা প্ৰতিৰোধত কেনে ব্যৱস্থা কৰা উচিত?

আনধৰণে ক'বলৈ হ'লে আমাৰ অধিকাৰ নিশ্চিত কৰা ব্যক্তিৰ জীৱনৰ পৱিত্ৰতা আৰু অধিকাৰ চৰকাৰী কৰ্তৃপক্ষই উলংঘা নকৰাকৈ নিজৰ কাৰ্য সম্পাদন কৰিব। ৰাষ্ট্ৰ সাৰ্বভৌম কৰ্তৃপক্ষ হ'ব পাৰে আৰু ই প্ৰণয়ন কৰা আইনবোৰ শক্তি বা বল প্ৰয়োগেৰে বলৱৎ কৰিব পাৰে। কিন্তু সাৰ্বভৌম ৰাষ্ট্ৰ অকল নিজৰ সুৰক্ষাৰ বাবে বৰ্তি থকা নাই ব্যক্তিৰ প্ৰয়োজনৰ বাবেও ই বৰ্তি আছে। গতিকে ক্ষমতাত অধিষ্ঠিত থকা কোনো চৰকাৰে জনসাধাৰণৰ ওপৰত অধিক গুৰুত্ব আৰু তেওঁলোকৰ কল্যাণৰ নীতিহে অনুসৰণ কৰিব লাগে। শাসক গোষ্ঠী নিজৰ স্বাৰ্থৰ বাবে দায়বদ্ধ থাকে আৰু এই কথা কেতিয়াও পাহৰিব নালাগে যে আইনবোৰ জনসাধাৰণৰ কল্যাণৰ বাবেহে প্ৰণয়ন কৰা হয়।

## ৫.৪ অধিকাৰৰ প্ৰকাৰ (Kinds of Rights)

আজিকালি বেছিভাগ গণতান্ত্ৰিক ৰাষ্ট্ৰই ৰাজনৈতিক অধিকাৰৰ এখন চনদ বা তালিকা প্ৰস্তুত কৰিছে। ৰাজনৈতিক অধিকাৰে নাগৰিক আইনৰ দৃষ্টিত সমান অধিকাৰ আৰু ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণৰ অধিকাৰ প্ৰদান কৰিছে। ইয়াত আন কিছুমান অধিকাৰ যেনে—ভোটদানৰ অধিকাৰ আৰু প্ৰতিনিধি নিৰ্বাচনৰ অধিকাৰ। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ, ৰাজনৈতিক দল গঠন বা দলত যোগদান কৰা ইত্যাদি। ৰাজনৈতিক অধিকাৰ পৌৰ বা নাগৰিক স্বতন্ত্ৰতাৰ দ্বাৰা পৰিপূৰ্ণ হয়। নাগৰিক স্বতন্ত্ৰতাই মুক্ত আৰু নিকা বিচাৰ প্ৰক্ৰিয়াৰ অধিকাৰ, মুক্তভাৱে মত প্ৰকাশ কৰাৰ অধিকাৰক বুজায়। সামগ্ৰিকভাৱে নাগৰিক স্বতন্ত্ৰতা আৰু ৰাজনৈতিক অধিকাৰে গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ ভেঁটি গঠন কৰে। কিন্তু আগতে উল্লেখ কৰা হৈছে যে অধিকাৰবোৰৰ লক্ষ্য হ'ল নাগৰিকৰ সৰ্বাংগীণ বিকাশক ৰক্ষণা বেক্ষণ প্ৰদান কৰা। ৰাজনৈতিক অধিকাৰে জনসাধাৰণক শাসক শ্ৰেণীতকৈ অধিক গুৰুত্ব প্ৰদান কৰি চৰকাৰক জনসাধাৰণৰ ওচৰত জৱাবদিহি কৰাত অৰিহণা যোগাইছে আৰু সকলো লোকক চৰকাৰৰ সিদ্ধান্ত গ্ৰহণত প্ৰভাৱ পেলাব পৰা সুবিধা দিছে।

তথাপি যেতিয়া আমাৰ খাদ্য, বাসস্থান, কাপোৰ, স্বাস্থ্য আদি মৌলিক প্ৰয়োজনবোৰ পূৰ হ'ব, তেতিয়াহে আমি ৰাজনীতিত অংশগ্ৰহণৰ অধিকাৰ উপভোগ কৰিব পাৰিম। কিন্তু পদপথত জীৱন নিৰ্বাহ কৰা আৰু মৌলিক প্ৰয়োজনবিলাকৰ

## অধিকাৰ

বাবে সংগ্ৰাম কৰা লোকৰ কাৰণে ৰাজনৈতিক অধিকাৰ মূল্যহীন। জীৱন ধাৰণৰ মৌলিক প্ৰয়োজনবোৰ পূৰণ কৰিবৰ কাৰণে তেওঁলোকৰ প্ৰয়োজন হৈছে কৰ্মসংস্থান, উপযুক্ত মজুৰি আৰু কাম কৰাৰ উপযুক্ত পৰিৱেশ। সেয়েহে গণতান্ত্ৰিক সমাজে অৰ্থনৈতিক অধিকাৰ প্ৰদান কৰি এই বাধ্যবাধকতাবোৰক স্বীকৃতি দিবলৈ আৰম্ভ কৰিছে কিছুমান ৰাষ্ট্ৰত সাধাৰণতে যিবিলাকৰ উপাৰ্জন কম, তেওঁলোকে ৰাষ্ট্ৰৰ পৰা থকা ঘৰ আৰু চিকিৎসাৰ সুবিধা লাভ কৰিছে আৰু আন আন কিছুমানত নিবনুৱাসকলে জীৱন ধাৰণ কৰিবলৈ ন্যূনতম মজুৰিও পাইছে। আমাৰ দেশ ভাৰততো চৰকাৰে আন ব্যৱস্থাৰ লগতে দুখীয়া-গৰিবক সহায় কৰিবৰ কাৰণে অলপতে ৰাষ্ট্ৰীয় গ্ৰামীণ নিশ্চিত নিয়োগ আঁচনি এখন আৰম্ভ কৰিছে।

**আলোচনা কৰো আহো।**

সাংস্কৃতিক অধিকাৰ মানে হ'ল ধৰ্মীয় অনুভূতি বা সাংস্কৃতিক বিশ্বাসক আঘাত কৰা চলচ্চিত্ৰ কোনো লোকক নিৰ্মাণ কৰিব নিদিয়া।



### ভাবি চাওঁ আহা

তলত উল্লেখ কৰা কোনবোৰ অধিকাৰ কোনো সমূহ বা সম্প্ৰদায়ক প্ৰদান কৰাটো যুক্তিসংগত, আলোচনা কৰা।

- এখন চহৰত জৈন সম্প্ৰদায়ে তেওঁলোকৰ নিজৰ এখন স্কুল স্থাপন কৰিছে আৰু তাত অকল তেওঁলোকৰ সম্প্ৰদাৰ ল'ৰা-ছোৱালীকহে নামভৰ্তি কৰিব দিছে।
- হিমাচল প্ৰদেশত বাস কৰা বাসিন্দাসকলক তাত মাটি বা সম্পত্তি ক্ৰয়ত বাধা আৰোপ কৰা হৈছে।
- সহশিক্ষা থকা এখন মহাবিদ্যালয়ৰ অধ্যক্ষই জাননী জাৰী কৰিছে যে কোনো ছোৱালীয়ে পশ্চিমীয়া পোছাক পৰিধান কৰা উচিত নহয়।
- হাৰিয়ানাৰ এখন পঞ্চায়তে সিদ্ধান্ত লৈছে যে বেলেগ বেলেগ জাতিৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহ সম্পন্ন হ'লে তেওঁলোকক এই গাঁৱত থাকিবলৈ দিয়া নহ'ব।

# ৰাজনৈতিক তত্ত্ব

আজিকালি বেছিভাগ গণতান্ত্রিক ৰাষ্ট্ৰতে ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰৰ লগতে নাগৰিকৰ সাংস্কৃতিক দাবীকো স্বীকৃতি দিছে। এতিয়া মাতৃভাষাত প্ৰাথমিক শিক্ষাগ্ৰহণ কৰা, ভাষা আৰু সাংস্কৃতিক শিক্ষাৰ কাৰণে শিক্ষানুষ্ঠান স্থাপন কৰা আদি সভ্য আৰু পূৰ্ণ জীৱন-যাপন কৰাৰ কাৰণে প্ৰয়োজনীয় বুলি স্বীকৃতি দিয়া হৈছে। গণতন্ত্ৰৰ অধিকাৰৰ তালিকাখন ক্ৰমে দীঘলীয়া হৈ গৈ আছে। এহাতে যেনেকৈ কিছুমান অধিকাৰক যেনে— বিশেষকৈ জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, সমান সুযোগ-সুবিধাৰ অধিকাৰ আৰু ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে আগস্থান দিয়া হৈছে, তেনেকৈ উপযুক্ত জীৱনধাৰণৰ বাবে প্ৰয়োজনীয় কিছুমান অৱস্থাকো ন্যায়সংগত দাবী বা অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে।

### ৫.৫ অধিকাৰ আৰু দায়বদ্ধতা (Rights and Responsibilitys)

অধিকৰে বিকাশ সাধনৰ প্ৰয়োজনীয় কিছুমান কাৰ্য সম্পাদন কৰিবলৈ সফল ৰাষ্ট্ৰৰ ওপৰতে দায়িত্ব অৰ্পণ কৰা নাই। ই আমাৰ প্ৰত্যেকৰ ওপৰতে দায়িত্ব আৰোপ কৰিছে। প্ৰথমতে, সেইবোৰে আমাক কেৱল আমাৰ নিজৰ ব্যক্তিগত প্ৰয়োজন আৰু স্বাৰ্থৰ কথাই চিন্তা কৰাত আবদ্ধ নাৰাখি যি আমাক সকলোৰে কল্যাণৰ বাবে প্ৰয়োজনীয় কিছুমান বস্তুৰ ৰক্ষণা বেক্ষণৰ বিষয়েও কৈছে। বায়ুমণ্ডলক ৰক্ষণা বেক্ষণ দিয়া, বায়ু আৰু পানীৰ প্ৰদূষণ ৰোধ কৰা, নতুনকৈ বৃক্ষৰোপণ কৰি আৰু বনানী ধ্বংস বন্ধ কৰি সেউজীয়া আৱৰণ ৰক্ষা কৰা, জীৱ-জগতৰ ভাৰসাম্যতা ৰক্ষা কৰা ইত্যাদি দায়িত্ববোৰ পালন কৰা আমাৰ সকলোৰে বাবে প্ৰয়োজন। এইবোৰে সামূহিক কল্যাণক প্ৰতিনিধিত্ব কৰে। গতিকে আমি আমাৰ নিজৰ পৰিত্ৰাণৰ বাবে আৰু লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে, যিসকলে জন্মগতভাৱে এখন নিকা, পৰিষ্কাৰ আৰু সুন্দৰ পৃথিৱী লাভ কৰাৰ যোগ্য যাৰ অবিহনে তেওঁলোকে এটা গ্ৰহণযোগ্য জীৱন-যাপন কৰিব নোৱাৰে।

দ্বিতীয়তে, মই আনৰ অধিকাৰক সন্মান কৰোটোৱেই বিচাৰো। যদি মই কওঁ যে মোক মতামত প্ৰকাশ কৰাৰ অধিকাৰ দিব লাগিব সেই মতে মই আন লোককো সেই একে অধিকাৰ প্ৰদান কৰিব লাগিব। যদি মই মোৰ পছন্দত

আনে হস্তক্ষেপ কৰাটো নিবিচাৰো— যেনে— মই কি পোছাক পিন্ধো বা কি গীত শুনো তেনেহ'লে ময়ো আনৰ পছন্দত হস্তক্ষেপ কৰাৰ পৰা বিৰত থাকিব লাগিব। পোছাক আৰু সংগীত পছন্দ কৰাৰ ক্ষেত্ৰত মই তেওঁলোকক স্বাধীনতা দিব লাগিব। মই মোৰ বাক্-স্বাধীনতাৰ দ্বাৰা জনতাক উচতনি দি মোৰ প্ৰতিবেশীক মাৰিবলৈ অধিকাৰ প্ৰয়োগ কৰিব নোৱাৰো। মই মোৰ অধিকাৰ উপভোগ কৰাৰ জৰিয়তে আনক অধিকাৰ ভোগ কৰাৰ পৰা বঞ্চিত কৰিব নোৱাৰো। আন কথাত মোৰ অধিকাৰবোৰ যেনেকৈ সমতাৰ নীতিৰে সীমিত, সেইদৰে আনসকলৰ অধিকাৰো সীমিত।




তৃতীয়তে, যেতিয়া অধিকাৰবোৰ সংঘাতৰ সন্মুখীন হয় তেতিয়া আমি আমাৰ অধিকাৰবোৰৰ মাজত ভাৰসাম্য ৰক্ষা কৰিব লাগে। উদাহৰণস্বৰূপে, মতামত প্ৰকাশৰ স্বাধীনতাই মোক ফটো তুলিবলৈ অনুমতি দিছে। কিন্তু মই যদি এজন ব্যক্তিয়ে তেওঁৰ ঘৰত গা ধুই থকা অৱস্থাত তেওঁৰ অনুমতি নোলোৱাকৈ ফটো তোলো আৰু ইণ্টাৰনেটৰ জৰিয়তে প্ৰকাশ কৰো, ইয়াৰ দ্বাৰা তেওঁৰ ব্যক্তিগত জীৱনৰ গোপনীয়তাৰ অধিকাৰ ভংগ কৰা হ'ব।

চতুৰ্থতে, নাগৰিকসকলে তেওঁলোকৰ অধিকাৰৰ ওপৰত থকা সীমাবদ্ধতা সম্পৰ্কে সতৰ্ক হ'ব লাগে। সাম্প্ৰতিক সময়ত বিতৰ্কিত বিষয় এটা হ'ল বহুতো চৰকাৰে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ নামত নাগৰিকৰ পৌৰ অধিকাৰৰ ওপৰত বৰ্ধিত হাৰত বাধা আৰোপ কৰা দেখা যায়। নাগৰিকৰ অধিকাৰ আৰু কল্যাণক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়টো প্ৰয়োজনীয় বুলি বিবেচনা কৰিব পাৰি। মানুহৰ অধিকাৰ লৈ নিৰাপত্তাৰ বিষয়টোৱে যেতিয়া এটা ভাবুকিস্বৰূপ হৈ দেখা দিয়ে, তেনে ক্ষেত্ৰত কি পৰ্যায়লৈ প্ৰতিবন্ধকতা আৰোপ কৰাটো প্ৰয়োজনীয়? উগ্ৰপন্থীৰ বোমা বিস্ফোৰণৰ ভাবুকি পোৱা ৰাষ্ট্ৰ এখনক,

নাগৰিকৰ অধিকাৰ সংকোচন কৰিবলৈ দিয়াটো উচিতনে? কেৱল সন্দেহৰ ওপৰত ভিত্তি কৰিয়েই মানুহক গ্ৰেপ্তাৰ কৰিবলৈ অনুমতি দিব পাৰিনে? চিঠি-পত্ৰ খুলি চোৱা আৰু আৰু টেলিফোনৰ কথোপ কথন ৰেকৰ্ড কৰিবলৈ অনুমতি দিয়াটো উচিতনে? জবানবন্দী ল'বলৈ শাস্তি প্ৰদানৰ অনুমতি দিয়াটো উচিতনে?

এনেকুৱা পৰিস্থিতিত প্ৰশ্ন হ'ল সংশ্লিষ্ট ব্যক্তিজন নিজে সমাজৰ প্ৰতি এটা আসন্ন ভাবুকি হ'ব নেকি? আনকি গ্ৰেপ্তাৰ হোৱা ব্যক্তিকো আইনৰ সহায় ল'বলৈ অনুমতি দিয়া আৰু আদালত বা ন্যায়াধীশৰ ওচৰত গোচৰ তৰিবলৈ সুবিধা দিয়া উচিত। চৰকাৰক ক্ষমতা প্ৰদানৰ ক্ষেত্ৰত আমি অতিকৈ সাৱধান হোৱা উচিত কিয়নো ক্ষমতাৰ অপ্ৰয়োজনে ব্যক্তিৰ পৌৰ স্বাধীনতা সংকোচন কৰিব পাৰে। ৰাষ্ট্ৰৰ জনসাধাৰণৰ কল্যাণৰ বাবে বৰ্তি থকা চৰকাৰ কেতিয়াবা কৰ্তৃত্বশীল হ'ব পাৰে। সেয়েহে যদি অধিকাৰ মানুহৰ কেতিয়াও চৰম নহয় তথাপি আমি নিজৰ অধিকাৰ আৰু লগতে আনৰ অধিকাৰক ৰক্ষণা বেক্ষণ দিয়াৰ ক্ষেত্ৰত সতৰ্ক হোৱা উচিত, যিহেতু সেইবোৰে গণতান্ত্ৰিক সমাজৰ ভেটি গঢ়ি তোলে।

> **আলোচনা কৰো আহা**
>
> বিতৰ্ক হওক— এজন মানুহৰ অধিকাৰ আন এজনৰ হস্তক্ষেপত বাধাগ্ৰস্ত হয়।

# অধিকাৰ

১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰখন গ্ৰহণ আৰু ঘোষণা কৰে। এই ঐতিহাসিক কাৰ্যক অনুসৰণ কৰি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সকলো সদস্য ৰাষ্ট্ৰকে ঘোষণা-পত্ৰখন প্ৰচাৰ কৰিবলৈ আহ্বান জনায় আৰু ৰাষ্ট্ৰৰ ৰাজনৈতিক মৰ্যাদাৰ ওপৰত ভিত্তি কৰি বৈষম্য সৃষ্টি নকৰাকৈ বিশেষকৈ বিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানত মানৱ অধিকাৰ ঘোষণা-পত্ৰখন প্ৰচাৰ, প্ৰসাৰ, অধ্যয়ন আৰু প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়।

***প্ৰস্তাৱনা (Preamble)***

সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা-পত্ৰৰ প্ৰস্তাৱনাত উল্লেখ কৰা হৈছিল যে মানৱ পৰিয়ালৰ প্ৰত্যেক সদস্যৰ সহজাত মৰ্যাদা আৰু সন্মান আৰু অবিচ্ছিন্ন অধিকাৰৰ স্বীকৃতিয়েই হৈছে পৃথিৱীত স্বাধীনতা, ন্যায় আৰু শান্তিৰ ভেটি।

মানৱ অধিকাৰ উলংঘন আৰু অৱমাননাৰ ফলত হোৱা নৃশংস, অমানুষিসক কাৰ্যই মানৱ জাতিৰ বিবেক-বুদ্ধিক চৰম অপমান কৰিছে। এনে অৱস্থাত সাধাৰণ মানুহৰ বাবে চৰম প্ৰত্যাশিত বিষয় হৈছে এনে এখন পৃথিৱীৰ আগমন য'ত প্ৰত্যেক ব্যক্তিয়ে মত প্ৰকাশৰ আৰু বিশ্বাসৰ স্বাধীনতা উপভোগ কৰিব আৰু ভয় আৰু অভাৱৰ পৰা স্বাধীনতা লাভ কৰিব। যিহেতু ৰাষ্ট্ৰবোৰৰ মাজত বন্ধুত্বপূৰ্ণ মনোভাব গঢ়ি তোলাত সহায় কৰাটো প্ৰয়োজনীয়।

মানুহে যাতে স্বৈৰাচাৰী শাসন আৰু নিপীড়নৰ পৰা মুক্তি লাভ কৰিবলৈ শেষ উপায় হিচাপে বিদ্ৰোহৰ আশ্ৰয় ল'বলগীয়া নহয়, তাৰ কাৰণে আইনৰ শাসনৰ দ্বাৰা মানৱ অধিকাৰ সুৰক্ষিত হোৱাটো প্ৰয়োজন।

জনসাধাৰণে ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ থকা তেওঁলোকৰ মৌলিক মানৱ অধিকাৰৰ ওপৰত বিশ্বাস, মৰ্যাদা আৰু ব্যক্তি হিচাপে মানুহৰ মূল্য/ যোগ্যতা আৰু সামাজিক প্ৰগতি আৰু উন্নত জীৱন ধাৰণৰ বাবে পুৰুষ, মহিলা উভয়কে সম-অধিকাৰ দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

সদস্য ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰসংঘৰ সহযোগত সাৰ্বজনীন শ্ৰদ্ধাৰ বিকাশ আৰু মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি মনোনিৱেশ কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য হ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰতিশ্ৰুতিৰ পূৰ্ণ ৰূপায়ণৰ বাবে অধিকাৰ আৰু স্বাধীনতাসমূহৰ উমৈহতীয়া গ্ৰহণযোগ্যতা অতি প্ৰয়োজন।

# ৰাজনৈতিক তত্ত্ব

এতিয়া সেইবাবে সাধাৰণ সভাই সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা-পত্ৰক সকলো জাতি আৰু ব্যক্তিৰ উমৈহতীয়া সফলতাৰ মাপকাঠী হিচাপে ঘোষণা কৰিছে যাতে প্ৰত্যেক ব্যক্তি আৰু সমাজৰ অংগই এই ঘোষণাৰ কথা সততে মনত ৰাখি উপদেশ আৰু শিক্ষাৰ দ্বাৰা অধিকাৰ আৰু স্বাধীনতাসমূহৰ প্ৰতি শ্ৰদ্ধাৰে বিকাশ কৰিবলৈ চেষ্টা কৰিব আৰু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত বিকাশমূলক প্ৰচেষ্টাৰ দ্বাৰা সদস্য ৰাষ্ট্ৰ আৰু সিবিলাকৰ অধীনস্থ অঞ্চলসমূহৰ জনসাধাৰণৰ দ্বাৰা এইবোৰৰ স্বীকৃতি আৰু পালন নিশ্চিত কৰিব পাৰিব।

## ? অনুশীলনী

১। অধিকাৰ কি আৰু এইবোৰ কিয় প্ৰয়োজন?

২। কিহৰ ভিত্তিত কিছুমান অধিকাৰ সাৰ্বজনীন প্ৰকৃতিৰ বুলি বিবেচনা কৰা হয়? সাৰ্বজনীন বুলি বিবেচনা কৰা তিনিটা অধিকাৰ চিহ্নিত কৰা। কাৰণ দৰ্শোৱা।

৩। সাম্প্ৰতিক কালত আমাৰ দেশত দাবী কৰা নতুন কিছুমান অধিকাৰৰ বিষয়ে চমু আলোচনা কৰা। উদাহৰণস্বৰূপে জনজাতি লোকসকলৰ অধিকাৰ আৰু তেওঁলোকৰ জীৱন ধাৰণৰ অভ্যাস বা বন্ধকী শ্ৰমিকৰ বিৰুদ্ধে ল'ৰা-ছোৱালীৰ অধিকাৰ।

৪। ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা। প্ৰত্যেকবিধ অধিকাৰৰ একোটা সংজ্ঞা দিয়া।

৫। 'অধিকাৰে ৰাষ্ট্ৰীয় কৰ্তৃপক্ষৰ ওপৰত কিছুমান সীমাবদ্ধতা আৰোপ কৰে।' উদাহৰণ দি ব্যাখ্যা কৰা।